# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নংঃ ১১৫/২০২০


## সপ্তম মিচিং যুৱ মহোৎসৱৰ সামৰণী অনুষ্ঠানত অংশগ্ৰহণ কৰিলে মুখ্যমন্ত্ৰীয়ে

## মহোৎসৱ অনুষ্ঠিত হোৱা স্থানক জনগোষ্ঠীয়-সাংস্কৃতিক গাওঁ হিচাপে পৰিৱৰ্তন সাধন কৰাৰ আশ্বাস প্ৰদান কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ৮ মাৰ্চ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মাজুলীত সপ্তম মিচিং যুৱ মহোৎসৱত অংশ গ্ৰহণ কৰি কয় যে এই মহোৎসৱ মিচিং জনগোষ্ঠীৰ বাৰেৰহণীয়া সাংস্কৃতিক ঐতিহ্যৰ উজ্জ্বল উদাহৰণ হিচাপে পৰিগণিত হৈছে।

মাজুলীৰ জেংৰাইমুখত যোৱা ৫ মাৰ্চৰ পৰা অনুষ্ঠিত এই মহোৎসৱৰ আজিৰ সামৰণী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে একবিংশ শতিকাৰ আধুনিক জীৱনবোধৰ প্ৰতিটো ক্ষেত্ৰতে তথ্য প্ৰযুক্তিয়ে ব্যাপকতা লাভ কৰাৰ সময়ত মিচিং যুৱ মহোৎসৱৰ জৰিয়তে ঐতিহ্যপূৰ্ণ সংস্কৃতিৰ সৈতে থকা গভীৰ সম্পৰ্ককে প্ৰতীয়মান কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই মহোৎসৱত স্বতঃস্ফূৰ্তভাৱে জনসাধাৰণে অংশগ্ৰহণ কৰি সাফল্যমণ্ডিত কৰি তুলিছে। মুখ্যমন্ত্ৰীয়ে আশ্বাস প্ৰদান কৰি কয় যে জেংৰাইমুখৰ শিমৰগুৰিত অনুষ্ঠিত এই মহোৎসৱৰ স্থানক জনগোষ্ঠীয়-সাংস্কৃতিক গাওঁ হিচাপে পৰিৱৰ্তন সাধন কৰা হ'ব।

মুখ্যমন্ত্ৰী সোণোৱালে কয় যে মিচিং জনগোষ্ঠীৰ লোকসকল কষ্টসহিষ্ণু হিচাপে সমগ্ৰ বিশ্বতে পৰিচিত। মুখ্যমন্ত্ৰীয়ে এই জনগোষ্ঠীৰ লোকসকলে কঠোৰ পৰিশ্ৰমৰ জৰিয়তে ৰাজ্যৰ বিকাশৰ যাত্ৰাপথত উল্লেখযোগ্য বৰঙণি যোগাইছে বুলিও কয়। টাবুৰাম টাইড, কমলা মিৰি, তৰুণ চন্দ্ৰ পামেগাম, ইন্দিৰা মিৰিৰ দৰে মিচিং সম্প্ৰদায়ৰ বিশিষ্ট ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰি মুখ্যমন্ত্ৰী সোণোৱালে মিচিং জনগোষ্ঠীৰ যুৱ প্ৰজন্মক এইসকল বৰেণ্য ব্যক্তিৰ আদৰ্শৰে জীৱনৰ বাটত আগবাঢ়ি যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে নিজৰ জনগোষ্ঠীটোৰ লগতে ৰাজ্যখনৰ উন্নয়নৰ বাবেও দৃঢ়তাৰে কাম কৰি যাবলৈ সকলোকে আহ্বান জনায়।

ৰাজ্যখনৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতিৰ সংৰক্ষণ আৰু উন্নয়নৰ বাবে ৰাজ্য চৰকাৰে দায়বদ্ধতাৰে কাম কৰি আহিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে 'ভাষা গৌৰৱ আঁচনি'ৰ জৰিয়তে সকলো থলুৱা জনগোষ্ঠীৰ ভাষা, সাহিত্যৰ বিকাশৰ বাবে আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে পদক্ষেপ গ্ৰহণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে ড্ৰাগছ আসক্তিৰ দৰে মহাব্যাধিৰ পৰা আঁতৰত থাকিবলৈ যুৱ প্ৰজন্মক আহ্বান জনায়।

আজিৰ এই সভাত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ ৰাজ্যিক (স্বতন্ত্ৰ) মন্ত্ৰী নৱ কুমাৰ দলে আৰু সাংসদ প্ৰদান বৰুৱাইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বিধায়কসকল ক্ৰমে ভূবন পেগু, ৰণোজ পেগু, দেবানন্দ হাজৰিকা, মিচিং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য পৰমানন্দ ছায়েংগিয়া, দেউৰী স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য মাধৱ দেউৰী আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল। অনুষ্ঠানৰ লগত ৰজিতা খুৰাই মুখ্যমন্ত্ৰীয়ে বলিউডৰ বিশিষ্ট গায়িকা উষা মঙ্গেশকাৰক সম্বৰ্দ্ধনাও জ্ঞাপন কৰে।

**সুঃদঃ / পুঃডেঃ**
**৮/০৩/২০২০**